**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-09-2025
**Time :** 1340 HRS.

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। মিছন সক্ষম অংগনৱাড়ী আৰু পোষণ ২ পইণ্ট অʼ আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ কোটি কোটি হিতাধিকাৰী উপকৃত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মত প্ৰকাশ কৰিছে।

২। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ২০৪৭ চনৰ পূৰ্বে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হʼবৰ বাবে মহিলা আৰু যুৱ চামৰ সক্ৰিয় অংশগ্ৰহণ জৰুৰী বুলি মত প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত কৃষিজাত আহিলাসমূহৰ ক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰ সংস্কাৰ সন্দৰ্ভত আয়োজিত এখন বৈঠকত অংশগ্ৰহণ কৰে।

৪। জম্মু-শ্ৰীনগৰ ঘাইপথ বন্ধ হোৱাৰ ফলত আৱদ্ধ হৈ পৰা যাত্ৰীসকলৰ সুবিধাৰ বাবে ৰেʼল কৰ্তৃপক্ষই আজিৰে পৰা প্ৰথমখন বিশেষ ৰেʼলগাড়ী চলাচলৰ ব্যৱস্থা কৰিছে।

***আৰু***

৫। এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আজি ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

ooooo

কেন্দ্ৰীয় চৰকাৰে শিশু, কিশোৰী আৰু গৰ্ভৱতী মহিলাৰ পৰিপুষ্টিৰ উন্নয়ন সাধনৰ লক্ষ্যৰে ৰূপায়ণ কৰিবলৈ লোৱা গুৰুত্বপূৰ্ণ আঁচনিসমূহৰ দুখন অন্যতম আঁচনি হৈছে মিছন সক্ষম অংগনবাড়ী আৰু পোষণ ২ পইণ্ট অʼ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি এই সন্দৰ্ভত মত প্ৰকাশ কৰে। কেন্দ্ৰীয় মন্ত্ৰী অন্নপূৰ্ণা দেৱীৰ এটা নিৰন্ধ সামাজিক মাধ্যমত নিজৰ অনুৰাগীসকলৰ মাজত প্ৰচাৰৰ ব্যৱস্থা কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এনেবোৰ আঁচনিৰ সহায়ত সমগ্ৰ দেশৰে অংগনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে দেশৰ কোটি কোটি হিতাধিকাৰী উপকৃত হৈছে। একে সময়তে এনে আঁচনিয়ে দেশৰ কোটি কোটি শিশুৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে ২০৪৭ চনৰ পূৰ্বে বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হবলৈ মহিলা আৰু যুৱ চামৰ সক্ৰিয় অংশগ্ৰহণ জৰুৰী বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভৱিষ্যতৰ সীমান্ত সন্মিলনত সমবেত লোকসকলক সম্বোধন কৰি শ্ৰীৰিজিজুৱে কয় যে মহিলাৰ নেতৃত্বত হোৱা বিকাশক চৰকাৰী কাৰ্যসূচীত উন্নত অগ্ৰাধিকাৰ দিয়া হৈছে। দেশে বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হোৱাৰ দিশে অগ্ৰগতি লাভ কৰা বুলিও তেওঁ প্ৰকাশ কৰে। বিগত ১১ বছৰত ভাৰত বিশ্বৰ একাদশ সংখ্যক অৰ্থনীতিৰ পৰা পঞ্চম স্থানলৈ উন্নীত হোৱা বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত দেশে গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰিছে।

ooooo

কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে নিজৰ দুৰ্বলতাসমূহ ঢাকিবৰ বাবে দেশৰ সাংবিধানিক সংস্থাসমূহক অপযশ দি আহিছে বুলি কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে তেওঁক দোষাৰোপ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰিজিজুৱে কয় যে উপৰ্যুপৰি নিৰ্বাচনত পৰাজয় কৰাৰ পাছত শ্ৰীগান্ধীয়ে নিৰ্বাচনী প্ৰক্ৰিয়াটোকেই দোষাৰোপ কৰে। সমগ্ৰ দেশৰ জনসাধাৰণে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি সমৰ্থন আগবঢ়োৱা বুলি উল্লেখ কৰি তেওঁ কয় যে দেশৰ দৰিদ্ৰ, কৃষক আৰু সাধাৰণ লোকে

শ্ৰীমোদীক দেশৰ নেতা হিচাপে বিবেচনা কৰে। প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত দেশে উল্লেখনীয় অগ্ৰগতি লাভ কৰিছে বুলিও মত প্ৰকাশ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি খাদ্য প্ৰসংস্কৰণ খণ্ডত ব্যৱসায়িক সূচলতা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰৰ শেহতীয়া সংস্কাৰৰ প্ৰভাৱ সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী চিৰাগ পাছোৱানে লিখা এটা প্ৰৱন্ধ শ্বেয়াৰ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে দৈনন্দিন ব্যৱহৃত খাদ্য তথা পেকেজিঙৰ দৰ হ্ৰাস হোৱাৰ লগে লগে গেলামাল সামগ্ৰীসমূহৰ দৰো হ্ৰাস হৈছে। তেওঁ কয় যে ইয়াৰ জৰিয়তে ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ অগ্ৰগতি ত্বৰান্বিত হোৱাৰ উপৰি কৃষকসকল উপকৃত হোৱাৰ লগতে আন্তৰ্জাতিক খাদ্যৰ ক্ষেত্ৰত দেশে প্ৰগতি লাভ কৰিব।

০০০০০

গোৱাৰ সৰ্বভাৰতীয় আয়ুৰ্বেদ প্ৰতিষ্ঠানত অহা ২৩ ছেপ্তেম্বৰত দশম আয়ুৰ্বেদ দিৱস উদযাপন কৰা হ'ব। এই উদযাপনৰ জৰিয়তে পৰম্পৰাগত ভাৰতীয় ঔষধৰ আন্তৰ্জাতিক সংবৰ্ধনৰ ক্ষেত্ৰত এটা ঐতিহাসিক ক্ষণ প্ৰতিফলিত হ'ব। এই সন্দৰ্ভত আয়ুশ্ব মন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি নতুন দিল্লীত কয় যে ভাৰতীয় পৰম্পৰাগত ঔষধে আন্তৰ্জাতিক পৰ্যায়ত নতুন শিখৰ স্পৰ্শ কৰাটো প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে গৌৰৱৰ মুহূৰ্ত। তেওঁ কয় যে চৰকাৰে আয়ুৰ্বেদৰ এই ঐতিহ্যক প্ৰতিগৰাকী ব্যক্তিৰ কাষ চপোৱাৰ প্ৰয়াস কৰাৰ লগতে এখন স্বাস্থ্যকৰ দেশ তথা বিশ্ব গঢ়ি তোলাৰ বাবে প্ৰচেষ্টা চলাইছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাত আয়ুৰ্বেদ তথা পৰম্পৰাগত চিকিৎসা ব্যৱস্থাৱে আন্তৰ্জাতিক স্বীকৃতি লাভ কৰিছে। চলিত বছৰৰ আয়ুৰ্বেদ দিৱসৰ বিষয়বস্তু হৈছে - পৃথিৱী তথা মানুহৰ বাবে আয়ুৰ্বেদ। আয়ুৰ্বেদে মানুহৰ স্বাস্থ্যৰ লগতে পৰিবেশৰ ভাৰসাম্য ৰক্ষাতো সহায় কৰাৰ দিশটো এই বিষয়বস্তুৰ জৰিয়তে প্ৰতিফলিত হৈছে।

০০০০০

কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীত কৃষিজাত আহিলাসমূহৰ ক্ষেত্ৰত সামগ্ৰী আৰু সেৱা কৰ সংস্কাৰ সন্দৰ্ভত আয়োজিত এখন বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ১২-১৮ শতাংশৰ পৰা ৫ শতাংশলৈ কৃষিজাত আহিলাসমূহৰ সামগ্ৰী আৰু সেৱা কৰ ৰেহাইৰ বাবে লোৱা শেহতীয়া সিদ্ধান্ত সন্দৰ্ভত গুৰুত্ব প্ৰদান কৰা হয়। উল্লেখযোগ্য যে বৈঠকত এই সংস্কাৰসমূহৰ উপযুক্ত প্ৰয়োগৰ বাবে পদক্ষেপ গ্ৰহণ তথা কৃষকসকল উপকৃত হোৱাটো সুনিশ্চিত কৰাৰ ক্ষেত্ৰত বিশেষ আলোকপাত কৰা হয়। মন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি শেহতীয়া বিকাশসমূহে অহা ২২ ছেপ্তেম্বৰৰ পৰা কৃষকসকলক পোনপটীয়াকৈ উপকৃত কৰাটো সুনিশ্চিত কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে এই পদক্ষেপৰ জৰিয়তে কৃষকসকলৰ উপাৰ্জনৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পৰিব। বৈঠকত কৃষিখণ্ডৰ আহিলাপাতিৰ সৈতে জড়িত সকলো সংস্থাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০

জম্মু-শ্ৰীনগৰ ঘাইপথ বন্ধ হোৱাৰ ফলত আৱদ্ধ হৈ পৰা যাত্ৰীসকলক নিজ নিজ গন্তব্যস্থলীলৈ কঢ়িয়াই নিয়াৰ বাবে ৰে'ল কৰ্তৃপক্ষই জম্মু আৰু কাশ্মীৰৰ বাদগামৰ পৰা কাট্ৰালৈ প্ৰথমখন বিশেষ ৰে'লগাড়ী চলাচলৰ ব্যৱস্থা কৰিছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই ৰে'লগাড়ীখন আজিৰে পৰা ১৫ দিনৰ বাবে চলাচলৰ ব্যৱস্থা কৰা হৈছে। অহা ৩ অক্টোবৰলৈ অব্যাহত থাকিবলগীয়া এই সেৱাৰ জৰিয়তে ঘাইপথ বন্ধ হোৱাৰ ফলত আৱদ্ধ হৈ পৰা যাত্ৰীসকলৰ সমস্যা সমাধান কৰাটো নিশ্চিত কৰিবলৈ বিচৰা হৈছে।

০০০০০

কেন্দ্ৰীয় ইলেকট্ৰনিক্স আৰু তথ্যপ্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ জৰিয়তে প্ৰযুক্তিয়ে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ মাজত সমভাৱ আনিছে। তেওঁ কয় যে

সম্প্ৰতি এগৰাকী পদপথৰ বিক্ৰেতাই এগৰাকী কৰ্পোৰেট খণ্ডৰ কাৰ্যবাহী লেখিয়াকৈ ইউ পি আই ধন লেনদেন ব্যৱস্থা ব্যৱহাৰ কৰে। ৰাষ্ট্ৰীয় কাকত এখনত লিখা এটা প্ৰৱন্ধত শ্ৰীবৈষ্ণৱে কয় যে প্ৰযুক্তিৰ কোনো ভেদাভেদ নাথাকে। তেওঁ লগতে কয় যে এই পৰিৱৰ্তনৰ জৰিয়তে প্ৰধানমন্ত্ৰীৰ অন্ত্যোদয়া দৃষ্টিভংগী প্ৰতিফলিত হৈছে। এই দৃষ্টিভংগীৰ জৰিয়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰতিগৰাকী প্ৰান্তীয় লোকক স্পৰ্শ কৰিব বিচাৰিছে। শ্ৰীবৈষ্ণৱে কয় যে প্ৰতিটো ডিজিটেল প্ৰযুক্তিৰ জৰিয়তে প্ৰতিগৰাকী লোকক স্পৰ্শ কৰিব বিচৰা হৈছে। মহাকাশ আৰু উদ্ভাৱন খণ্ডৰ বিষয়ে উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে ভাৰতে আপাতদৃষ্টিত অসম্ভৱ লক্ষ্য ইতিমধ্যে স্পৰ্শ কৰিছে। তেওঁ লগতে কয় যে দেশৰ প্ৰতিনিধি প্ৰথম প্ৰয়াসতে মঙল গ্ৰহত উপস্থিত হৈছে। তেওঁ কয় যে চন্দ্ৰযান-৩ৰ জৰিয়তে ভাৰত চন্দ্ৰত মসৃণ অৱতৰণ কৰা চতুৰ্থখন দেশ তথা চন্দ্ৰৰ দক্ষিণ মেৰুত অৱতৰণ কৰা প্ৰথমখন দেশ হিচাপে পৰিগণিত হৈছে। ইছৰোৱে এটা অভিযানৰ জৰিয়তে ১০৪টা উপগ্ৰহ উৎক্ষেপন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ জৰিয়তে বিশ্ব অভিলেখ স্থাপন হোৱাৰ লগতে ভাৰতীয় ৰকেটসমূহে সম্প্ৰতি ৩৪খন দেশলৈ উপগ্ৰহ কঢ়িয়াবলৈ সমৰ্থ হৈছে। শ্ৰীবৈষ্ণৱে কয় যে গগনযান অভিযানৰ জৰিয়তে ভাৰত থলুৱা প্ৰযুক্তি ব্যৱহাৰ কৰি মহাকাশলৈ মানৱ সম্পদ প্ৰেৰণ কৰা চতুৰ্থখন দেশত পৰিণত হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দেশৰ বিজ্ঞানীসকলৰ পক্ষত সদায়েই থিয় দি আহিছে।

০০০০০

ছত্তিশগড়ৰ দুৰ্নীতি বিৰোধী ব্যুৰো আৰু অৰ্থনৈতিক অপৰাধ শাখাই সুৰা কেলেংকাৰিত অভিযুক্ত এগৰাকী অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনীয় বিষয়াক গ্ৰেপ্তাৰ কৰিছে। ৰাজ্যিক আবকাৰি বিভাগৰ প্ৰাক্তন আয়ুক্ত নিৰঞ্জন দাসক সুৰা কেলেংকাৰিত জড়িত থকাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে। চৰকাৰী সুৰা বিপণীসমূহত বুজন পৰিমাণৰ সুৰা বিক্ৰীৰ বিনিময়ত কেইবা কোটি টকাৰ উৎকোচ, বিষয়াসকলৰ বদলিকৰণ, নিবিদা প্ৰক্ৰিয়াত বিসংগতিকে ধৰি কেইবাটাও অভিযোগত তেওঁক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

এছিয়া কাপ টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ এৰ এখন খেলত আজি ভাৰত ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আবু ধাবিৰ শ্বেখ জায়েদ ষ্টেডিয়ামত হ'বলগীয়া খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

যোৱা নিশা আবুধাবিত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত শ্ৰীলংকাই আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰি ছুপাৰ ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰে। এই জয়ৰ সুবাদত শ্ৰীলংকাৰ গ্ৰুপ বিৰ পইণ্ট তালিকাত শীৰ্ষ স্থান দখল কৰে। গ্ৰুপটোত অন্তৰ্ভুক্ত বাংলাদেশেও তিনিখন খেলৰ দুখনত জয়লাভ কৰি প্ৰতিযোগিতাৰ পৰৱৰ্তী পৰ্যায়ৰ স্থান নিশ্চিত কৰিছে।

০০০০০

ভাৰতৰ তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে চাইনা মাষ্টাৰ্ছ ২০২৫ শীৰ্ষক বেডমিণ্টন প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। আজি অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন কোৱাৰ্টাৰ ফাইনেল খেলত তেওঁ দক্ষিণ কোৰিয়াৰ আন ছে য়ঙৰ হাতত ১৪-২১, ১৩-২১ৰ পোনপটীয়া ছেটত পৰাজয়বৰণ কৰে।

০০০০০

সমাপ্ত